# WORKSHOP ON LEGAL AWARNESS & SKILL DEVELOPMENT ORGANISED BY SARAIGHAT COLLEGE ALUMNI ASSOCIATION ON 8TH APRIL, 2023




গুৱাহাটী, মঙলবাৰ, ২৭ চ'ত, ১৯৪৪ শক

দৈনিক জনমভূমি


## শৰাইঘাট কলেজত আইনী সজাগতা, দক্ষতা বিকাশ সম্পৰ্কীয় কৰ্মশালা

মহানগৰ ব্যুৰ', ১০ এপ্ৰিল ঃ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগত যোৱা ৮ এপ্ৰিলত মহাবিদ্যালয়ৰ আলোচনা কক্ষত আইনী সজাগতা আৰু দক্ষতা বিকাশৰ বিষয়ত এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় কেৰিয়াৰ পৰামৰ্শদাতা ৰঞ্জন কুমাৰ বৰুৱা আৰু বিশিষ্ট সমাজকৰ্মী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা চুমি মেধি। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰে। অধ্যক্ষ ড° শৰ্মাই মানুহৰ জীৱনত দক্ষতা কিয় লাগে আৰু আইনী সজাগতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। দক্ষতা বিকাশ সম্পৰ্কীয় আলোচনাত ৰঞ্জন কুমাৰ বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলে দক্ষ হ'বলৈ কি কৰিব লাগিব তাৰ আলোচনা কৰে। চুমি মেধিয়ে দৈনন্দিন জীৱনৰ লগত জড়িত বিভিন্ন আইনী বিষয়ত মানুহে কিদৰে আগবাঢ়িব লাগে তাৰ কথা আলোচনা কৰে। পিংকু চৌধুৰীয়ে আঁতধৰা অনুষ্ঠানটোত অসম চৰকাৰৰ ৰাজহ বিভাগৰ জ্যেষ্ঠ বিষয়া অপূৰ্ব নাথ আৰু প্ৰাক্তন ছাত্ৰ সন্মিলনৰ জ্যেষ্ঠ সদস্য শ্বেখ আব্দুল হামিদে বক্তব্য আগবঢ়ায়।